পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰিছে।

### পথ দুৰ্ঘটনাত ছাত্ৰৰ মৃত্যু

## নৱজ্যোতি মহাবিদ্যালয়ত শোক

**প্ৰতিদিন সেৱা, কলগাছিয়া, ৯ ছেপ্টেম্বৰ ঃ** আমিনগাঁও-বৰপেটা হৈ উত্তৰ শালমাৰা সংযোগী দুই নং বিকল্প ৰাজ্যিক ঘাইপথৰ উদমাৰী অংশত কালি দিনৰ বাৰ বজাত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত হয় কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ মোছাৰফ কৰিম। আজি নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শ্বাহজাহান আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত শোকসভাত দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা অমায়িক ছাত্ৰ মোছাৰফ কৰিমলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। প্ৰতিভাসম্পন্ন ছাত্ৰগৰাকীৰ মৃত্যু মহাবিদ্যালয় আৰু পৰিয়ালৰ বাবে অপূৰণীয় ক্ষতি বুলি ব্যক্ত কৰি ছাত্ৰগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। কলেজখনৰ ছাত্ৰ একতা সভাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অনুজ্ঞাপত্ৰবিহীন ই-ৰিক্সা, ট্ৰেক্টৰসহ অন্যান্য গাড়ীৰ অতপালি বন্ধ কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনায়।

## গোৱালপাৰাত পলিঅ' বিষয়ক সভা

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলা উপায়ুক্তৰ কাৰ্যালয়ত আজি পলিঅ'ৰ ওপৰত এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত খণীন্দ্ৰ চৌধুৰী সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক, স্বাস্থ্য বিভাগৰ বিষয়াসকল, জিলা স্কুলসমূহৰ পৰিদৰ্শক, জিলা সমাজ কল্যাণ বিষয়া, উন্নয়ন খণ্ডৰ বিষয়াসকল উপস্থিত থাকে। অহা ১৮ আৰু ১৯ ছেপ্টেম্বৰত গোৱালপাৰা জিলাৰ ০-৫৯ মাহৰ সকলো শিশুক পলিঅ' প্ৰতিষেধক খুৱাবলৈ বিভিন্ন বিভাগৰ সহায়-সহযোগিতাৰ বাবে আজিৰ এই সভাখন অনুষ্ঠিত কৰা হয়। কোনো শিশু যাতে প্ৰতিষেধক লোৱাৰ পৰা বাদ নপৰে তাৰ বাবে শিক্ষা, সমাজ কল্যাণ আৰু উন্নয়ন খণ্ডৰ বিভাগসকলৰ উপৰি আত্মসহায়ক গোটসমূহক পলিঅ' প্ৰতিষেধক অভিযানত জড়িত কৰিবলৈ আহ্বান জনায় উপায়ুক্তগৰাকীয়ে।

হোৱা ব্যাপক দুৰ্নীতি-অনিয়মক
মহাবিদ্যালয়খনত এক উত্তপ্ত পৰি
ক্ষুব্ধ ৰাইজে ঠিকাদাৰগৰাকীক
হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰাৰ
নিৰ্মাণকাৰ্যও বন্ধ কৰি দিয়ে। উ
১৭ বিত্তীয় বৰ্ষত চৰকাৰৰ উচ্চ শি
মহাবিদ্যালয়খনত তিনিমহলীয়
নিৰ্মাণৰ বাবে এক কোটি টকা
সেইমতে দুবছৰ পূৰ্বে লোকনিৰ্মাণ
ভৱনটোৰ নিৰ্মাণৰ কাম আ
অভিযোগমতে, ভৱনটোৰ নিৰ্মাণৰ
আবুবক্কৰ ছিদ্দিক নামৰ ঠি
আৰম্ভণিৰে পৰা ভৱনটো নিৰ্মাণত
অনিয়মৰ আশ্ৰয় লয়। বিভাগীয়
ভৰিৰে মোহাৰি ঠিকাদাৰগৰাকী
ভৱনটোৰ নিৰ্মাণকাৰ্য।
ঠিকাদাৰগৰাকীয়ে লোকনিৰ্মাণ
কল্যাণ চক্ৰৱৰ্তীকে ধৰি বিভাগটো
বিষয়া-কৰ্মচাৰীক হাতৰ মুঠিত



## দলগোমাত আৰম্ভণিতে

**প্ৰতিদিন সেৱা, মাটিয়া, ৯ ছে**
দলগোমা-কদমতোলাত এইবেলি ক
হৈছে কৃষকসকল। দলগোমা-কদম
যুৱ কৃষকে। কলকাতাৰ পান নাম
বিঘা মাটিত খেতি কৰিছে। কৃষকসক
দিনৰ পিচতে পুলিবোৰ ফুলি নষ্ট হৈ
মাজত হাহাকাৰ লাগিছে। প্ৰতিটো
পৰিছে বুলি যুৱ কৃষক চন্দন কলিত
ল'বলৈ আহৰি পোৱা নাই মাটিয়া

## দুবছৰীয়া কাৰাবন্দিত্বৰ ...ন্তত মুকলি আকাশৰ তললৈ সাংবাদিক ছিদ্দিক কপ্পন

...ৰ প্ৰতিনিধি, ৯ ছেপ্টেম্বৰ ঃ অৱশেষত জামিন লাভ ... সাংবাদিক কপ্পনে। কেৰালাৰ সাংবাদিক ছিদ্দিক ... উচ্চতম ন্যায়ালয়ে আজি জামিন মঞ্জুৰ কৰিছে। ...০ চনৰ পৰা উত্তৰ প্ৰদেশৰ কাৰাগাৰত থকা ...লিকগৰাকীক আজি উচ্চতম ন্যায়ালয়ে জামিন প্ৰদান ... জামিন লাভ কৰি তেওঁ কয়— প্ৰতিজন ব্যক্তিৰ মত ...ৰ স্বাধীনতা আছে। ছিদ্দিক কপ্পন ২০২০ চনৰ পৰা ...ন্দী হৈ আছিল, তেওঁ উত্তৰ প্ৰদেশৰ ■ ৭ পৃষ্ঠাত

গৌৰৱোজ্জ্বল অবিৰাম যাত্ৰাৰ ২৯তম বৰ্ষ

দৈনিক গণ অধিকাৰ

মূক জনতাৰ মুক্ত কণ্ঠ

...বৰ্ষ ২৯ ■ সংখ্যা ৪০ ■ গুৱাহাটী, শনিবাৰ, ১০ ছেপ্টেম্বৰ, ২০২২ ■ ২৪ ভাদ, ১৯৪৪ শক ■ GUWAHATI, VOL. XXIX, NO. 40, SATURDAY, 10 SEPTEMBER, 2022 ■

For circulation
10/9/22

## ছাত্ৰ মোশাৰফ আলীৰ মৃত্যুত শোক নৱজ্যোতি মহাবিদ্যালয়ৰ

**গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ** নৱজ্যোতি মহাবিদ্যালয়ৰ দৰ্শন বিষয়ত গুৰু পাঠ্যক্ৰম হিচাপে অধ্যয়ন কৰি থকা পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ মঃ মোশাৰফ আলী দুৰ্ভাগ্যজনক এক পথ দুৰ্ঘটনাত পতিত হৈ ৮ ছেপ্টেম্বৰত মৃত্যুক আকোৱালি লয়। উদীয়মান ছাত্ৰজনৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰিছে নৱজ্যোতি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে শিক্ষাৰ্থীসকলে। নৱজ্যোতি মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ হৈ অধ্যক্ষই জাৰি কৰা এক শোকপ্ৰস্তাৱত উল্লেখ কৰিছে যে তেওঁ মৃত্যু মহাবিদ্যালয়খনৰ বাবে এক অপূৰণীয় ক্ষতি। আজি মহাবিদ্যালয়খনৰ প্ৰাংগনত অধ্যক্ষ ড০ ছাহজাহান আলী আহমেদৰ সভাপতিত্বত মহাবিদ্যালয়ৰ সমুহ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত এখন শোকসভা অনুষ্ঠিত হয়। সভাত শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰজনৰ জীৱনৰ বিষয়ে চমু ব্যাখ্যা আগবঢ়ায় আৰু তেওঁৰ বিদেহী আত্মাৰ সদগতি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰে।